জনসাধাৰণ ২৮-৭

# হাউলীত জন্মৰ প্ৰমাণ-পত্ৰৰ নামত অবাধ বেহা

জনসাধাৰণ সেৱা, জনীয়া, ২৭ জুলাই ঃ ৰাজ্যজুৰি নাগৰিকপঞ্জী অদ্যৰধিকৰণৰ বাবে প্ৰয়োজনীয় নথি-পত্ৰ বিচাৰি ৰাইজ বিমোৰত পৰা পৰিলক্ষিত হোৱাৰ সমান্তৰালকৈ অধিক খৰচ কৰিবলগীয়া

## এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণক লৈ হাহাকাৰ

হৈছে। স্থানীয় গাঁওবুঢ়াৰ প্ৰমাণ-পত্ৰৰপৰা আৰম্ভ কৰি জন্মৰ প্ৰমাণ-পত্ৰ, বিদ্যালয়ৰ প্ৰমাণ-পত্ৰ প্ৰত্যেকতে উৎকোচৰ প্ৰভাৱ পৰিছে। জন্মৰ প্ৰমাণ-পত্ৰৰ বাবে লাগতিয়াল নটাৰী এফিডেভিটৰ লগতে বিভিন্ন নথি-পত্ৰৰ নামত ৰাইজক লুণ্ঠন কৰি অবাধে ধন ঘটাৰ অভিযোগ উত্থাপন হৈছে। উল্লেখ্য যে একোখন জন্মৰ প্ৰমাণ-পত্ৰৰ বাবে এহেজাৰ টকালৈ খৰচ কৰিবলগীয়া হৈছে। এন আৰ চি পূৰণৰ নামত অশিক্ষিত ৰাইজক প্ৰৱঞ্চনাৰে বিভিন্নজনে বিভিন্ন প্ৰকাৰে লুণ্ঠন চলাই আছে। প্ৰ-পত্ৰ পূৰণৰ বাবে এশৰপৰা ঠাই বিশেষে ডেৰশ টকালৈ উৎকোচ লোৱাৰ অভিযোগ পোৱা গৈছে। তদুপৰি, বৰপেটা জিলাৰ গ্ৰামাঞ্চলৰ বিভিন্ন এন আৰ চি সেৱাকেন্দ্ৰত প্ৰ-পত্ৰ জমা লোৱাত ব্যাপক খেলিমেলিৰ অভিযোগ উত্থাপন হৈছে। লগতে একাংশ ৰাইজে সপ্তাহব্যাপি ঘূৰিও প্ৰ-পত্ৰ জমা চূড়ান্ত কৰিব পৰা নাই যদিও আন একাংশ ৰাইজে এদিনৰ ভিতৰতে প্ৰ-পত্ৰ জমা দিবলৈ সক্ষম হৈছে। এনে ক্ষেত্ৰত একাংশ মধ্যভোগীৰদ্বাৰা প্ৰৰোচিত হোৱাৰ লগতে উৎকোচ প্ৰদানৰ অভিযোগ কৰিছে ভুক্তভোগী ৰাইজে। মধ্যভোগীৰ অতপালি বন্ধ কৰি সঠিক পৰ্যায়ত শৃংখলাবদ্ধভাৱে প্ৰ-পত্ৰ পূৰণৰ ব্যৱস্থা কৰিবলৈ ৰাইজে প্ৰশাসনৰ ওচৰত দাবী জনাইছে।